Total No. of Printed Pages—3

## 4 SEM TDC ASMH (CBCS) C 9

**2025**

( May/June )

ASSAMESE

( Core )

Paper : C–9

**( ভাৰতীয় আৰ্যভাষা আৰু অসমীয়া ভাষা )**

*Full Marks* : 80

*Pass Marks* : 32

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অসমীয়ালৈ অনুবাদ কৰাঁ (যি কোনো চাৰিটা অংশ) : ৩×৪=১২

(ক) বিদ্যা নাম নৰস্য ৰূপমধিকং প্ৰচ্ছন্ন গুপ্তং ধনং।
বিদ্যা ভোগকৰী যশঃ সুখকৰী বিদ্যা গুৰূনাং গুৰুঃ॥

(খ) সো পি মগো ন ধ্ৰুৱো।
এতে পি ত্ৰী প্ৰাণা পছা ন আৰভিসৰে॥

(গ) অপ্‌পমাদো অমতপদং পমাদো মচ্চুনো পদং।
অপপমত্তা ন মীয়ন্তি যে পমত্তা যথা মতা॥

(ঘ) অম্মিঅং পাউঅ-কাব্বং পঢিউং সোউং অ জে ন জানন্তি।
কামস্স তত্ততন্তিং কুণন্তি তে কহং ন লজ্জন্তি॥

(ঙ) পচ্চাএসি পহূও পুব্বপসিদ্ধো য মিচ্ছদেসো থি।
তহ বিসএ সংভূও আবদ্দো মীৰসেনস্স॥

২। ১নং প্ৰশ্নৰ তলত আঁচটনা শব্দবোৰৰ যি কোনো **তিনিটা** শব্দৰ সংস্কৃত ৰূপটো লিখাঁ। ১×৩=৩

৩। (ক) ভাৰতীয় আৰ্যভাষা বুলিলে কি বুজাঁ? ভাৰতীয় আৰ্যভাষাৰ দ্বিতীয় স্তৰত বিকাশ লাভ কৰা যি কোনো এটা ভাষাৰ ভাষাতাত্ত্বিক বিশেষত্বসমূহ আলোচনা কৰাঁ। ৩+১২=১৫

*অথবা*

(খ) ভাৰতীয় আৰ্যভাষা বুলিলে কি বুজাঁ? এই ভাষাৰ বিকাশৰ স্তৰকেইটা উল্লেখ কৰি যি কোনো এটি স্তৰৰ ভাষাৰ বিষয়ে আলোচনা কৰাঁ। ৩+৩+৯=১৫

৪। (ক) সংস্কৃত সন্ধি আৰু পালি সন্ধিৰ বিষয়ে এটি তুলনামূলক আলোচনা আগবঢ়োৱাঁ। ১৫

*অথবা*

(খ) পালি আৰু প্ৰাকৃত ভাষাৰ ব্যঞ্জনবৰ্ণৰ এখন তালিকা প্ৰস্তুত কৰাঁ। লগতে দুয়োটা ভাষাৰ ব্যঞ্জনবৰ্ণৰ মাজত থকা মিল-অমিলসমূহ উল্লেখ কৰাঁ। ৮+৭=১৫





৫। (ক) ভাৰতীয় আৰ্যভাষাৰ পৰা কি কি স্তৰ অতিক্ৰম কৰি অসমীয়া ভাষাৰ উৎপত্তি হৈছে, এই সম্পৰ্কে এটি টোকা যুগুত কৰাঁ। ১৫

*অথবা*

(খ) অসমীয়া ভাষাৰ উদ্ভৱ সম্পৰ্কে বিভিন্ন পণ্ডিতে আগবঢ়োৱা মতসমূহ উল্লেখ কৰি গ্ৰহণযোগ্য সিদ্ধান্তত উপনীত হোৱাৰ যত্ন কৰাঁ।

৬। চমু টোকা লিখাঁ (যি কোনো **তিনিটা**) : ৫×৩=১৫

(ক) প্ৰত্ন-অসমীয়া ভাষা

(খ) প্ৰাক্-শংকৰী যুগৰ ভাষাৰ বৈশিষ্ট্য

(গ) বুৰঞ্জীৰ ভাষা

(ঘ) যুদ্ধোত্তৰ যুগৰ অসমীয়া ভাষা

৭। চমু উত্তৰ দিয়াঁ (যি কোনো **পাঁচটা**) : ১×৫=৫

(ক) 'প্ৰাকৃত প্ৰকাশ' কাৰ ৰচনা?

(খ) 'গাহাসত্তসঈ' কোন সময়ৰ ৰচনা?

(গ) মাগধী প্ৰাকৃতৰ এটা উপভাষাৰ নাম লিখাঁ।

(ঘ) 'নীতিশতক শ্লোক'ৰ ৰচক কোন?

(ঙ) ত্ৰিপিটক কেইখন পিটকৰ সংগ্ৰহ?

(চ) কোনটো প্ৰাকৃতক 'মানবিশিষ্ট বা আদৰ্শ প্ৰাকৃত' বুলি কোৱা হয়?

★ ★ ★